**2023**

# LINGUISTICS

( Honours Generic/Regular Course )

Paper : LIN–HG/RC–4016

**( Structure of Assamese—II : Grammar )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

**1.** Answer the following as directed : 1×10=10

তলত দিয়াবোৰৰ নিৰ্দেশানুযায়ী উত্তৰ লিখা :

(a) Write the name of one fricative voiceless consonant sound in Assamese.

অসমীয়া ভাষাৰ এটা ঘৃষ্ট অঘোষ ব্যঞ্জনবৰ্ণৰ নাম লিখা।

(b) Write the name of two suffixes used in Assamese.

অসমীয়া ভাষাত ব্যৱহৃত দুটা পৰসৰ্গৰ নাম লিখা।

(c) Write the name of two front high vowels in Assamese.

অসমীয়া ভাষাত ব্যৱহৃত দুটা প্ৰান্তীয় উচ্চ স্বৰবৰ্ণৰ নাম লিখা।

(d) Write the name of two case suffixes used in Assamese.

অসমীয়া ভাষাত ব্যৱহৃত দুটা কাৰক বিভক্তিৰ নাম লিখা।

(e) What is the form of first person verbal agreement in Assamese?

অসমীয়া ভাষাৰ প্ৰথম পুৰুষবাচক ক্ৰিয়া বিভক্তিৰ ৰূপটো কি?

(f) Write a word which has two syllables in Assamese.

অসমীয়া ভাষাৰ দুটা অক্ষৰযুক্ত এটা শব্দ লিখা।

(g) Write a noun phrase of Assamese language.

অসমীয়া ভাষাৰ এটা বিশেষ্য বাক্যাংশ লিখা।

(h) How many personal pronouns are found in Assamese for second person in terms of the category of honorificity?

সম্মান অনুসৰি অসমীয়া ভাষাত দ্বিতীয় পুৰুষৰ কেইটা ব্যক্তিবাচক সৰ্বনামৰ ৰূপ পোৱা যায়?

(i) Assamese language has dental and retroflex consonant phonemes.

( Write True or False )

অসমীয়া ভাষাত দন্ত্য আৰু মূৰ্ধণ্য ধ্বনি আছে।

( শুদ্ধ নে অশুদ্ধ লিখা )

(j) Give an example of compound sentence from Assamese language.

অসমীয়া ভাষাৰ পৰা যৌগিক বাক্যৰ এটা উদাহৰণ দিয়া।





**2.** Define the following concepts with suitable examples from Assamese language : 2×5=10

উপযুক্ত উদাহৰণসহ তলত দিয়া ধাৰণাসমূহৰ সংজ্ঞা লিখা :

Personal pronoun; Person verbal agreement; Case; Allomorph; Ditransitive verb.

ব্যক্তিবাচক সৰ্বনাম; পুৰুষবাচক ক্ৰিয়া বিভক্তি; কাৰক; উপাকৃতি; দ্বিকৰ্মক ক্ৰিয়া।

**3.** Answer any *four* of the following questions : 5×4=20

তলত দিয়া প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা :

(a) Write the functions of any five definiteness markers used in Assamese.

অসমীয়া ভাষাত ব্যৱহৃত যি কোনো পাঁচটা নিৰ্দিষ্টতাবাচক প্ৰত্যয়ৰ কাৰ্যৰ বিষয়ে লিখা।

(b) Write a short note on finite and non-finite verbs in Assamese.

অসমীয়া ভাষাৰ সমাপিকা আৰু অসমাপিকা ক্ৰিয়াৰ ওপৰত এটা চমু টোকা লিখা।

(c) Discuss briefly the nouns of relationship in Assamese.

অসমীয়া ভাষাৰ সম্বন্ধবাচক বিশেষ্যৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(d) Write a short note on gender in Assamese. Do you think Assamese has grammatical gender?

অসমীয়া ভাষাৰ লিংগৰ ওপৰত এটি চমু টোকা লিখা। অসমীয়া ভাষাত লিংগ এক বৈয়াকৰণিক বিষয় হয় বুলি তুমি ভাবানে?

(e) How would you distinguish primary and secondary affixes in Assamese? Explain with suitable examples.

অসমীয়া ভাষাত কৃৎ প্ৰত্যয়ৰ পৰা তদ্ধিত প্ৰত্যয়ক কেনেকৈ বেলেগ কৰিবা? উপযুক্ত উদাহৰণসহ ব্যাখ্যা কৰা।

(f) Write the difference between inflectional and derivational affixes with the help of Assamese examples.

বিভক্তিমূলক প্ৰত্যয় আৰু ব্যুৎপত্তিমূলক প্ৰত্যয়ৰ মাজৰ পাৰ্থক্য অসমীয়া ভাষাৰ উদাহৰণসহ আলোচনা কৰা।

**4.** Answer any *four* of the following questions : 10×4=40

তলৰ প্ৰশ্নসমূহৰ যি কোনো চাৰিটাৰ উত্তৰ লিখা :

(a) What do you mean by verb? How are the Assamese verbs classified? Explain with appropriate examples.

ক্ৰিয়াপদ বুলিলে কি বুজা? অসমীয়া ভাষাৰ ক্ৰিয়াপদসমূহক কেনেদৰে ভাগ কৰা হয়? যথোপযুক্ত উদাহৰণসহ আলোচনা কৰা।





(b) What is meant by pronouns? What are the types of pronouns? Discuss each type of pronoun with the help of suitable examples from Assamese.

সৰ্বনাম বুলিলে কি বুজা? সৰ্বনামৰ ভাগবিলাক কি কি? প্ৰতিটো ভাগক অসমীয়া ভাষাৰ উদাহৰণৰ সহায় লৈ আলোচনা কৰা।

(c) What is noun? Explain the processes of forming nouns in Assamese with suitable examples.

বিশেষ্য কি? অসমীয়া ভাষাত বিশেষ্য পদ গঠনৰ প্ৰক্ৰিয়াটো উপযুক্ত উদাহৰণসহ ব্যাখ্যা কৰা।

(d) How many case suffixes are used in Assamese? Discuss the function of each case suffix with the help of suitable example.

অসমীয়া ভাষাত কেইটা কাৰকবাচক বিভক্তি ব্যৱহাৰ হয়? প্ৰতিটো বিভক্তিয়ে সাধন কৰা কাৰ্যৰ বিষয়ে উপযুক্ত উদাহৰণসহ আলোচনা কৰা।

(e) Discuss the grammatical categories of verbs in Assamese with examples.

অসমীয়া ভাষাৰ ক্ৰিয়াপদৰ বৈয়াকৰণিক সংবৰ্গবিলাকৰ উদাহৰণসহ আলোচনা কৰা।

(f) Write a note on negation in Assamese.

অসমীয়া ভাষাৰ নঞৰ্থকতাৰ ওপৰত এটি টোকা লিখা।

(g) What do you mean by immediate constituent? How would you identify immediate constituent in a language? Discuss with the help of suitable examples of Assamese.

আসন্ন অঙ্গ বুলিলে কি বুজা? ভাষা এটাত আসন্ন অঙ্গসমূহক কেনেদৰে চিনাক্তকৰণ কৰিবা? অসমীয়া ভাষাৰ উদাহৰণৰ সহায়ত আলোচনা কৰা।

(h) What do you mean by noun phrase and verb phrase? Analyze different parts of a noun phrase and a verb phrase in Assamese with appropriate examples.

বিশেষ্য বাক্যাংশ আৰু ক্রিয়া বাক্যাংশ বুলিলে কি বুজা? অসমীয়া ভাষাৰ বিশেষ্য আৰু ক্রিয়া বাক্যাংশ এটাৰ বিভিন্ন অংশসমূহ উদাহৰণসহ বিশ্লেষণ কৰা।

★★★